# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ চতুৰ্থ        বিষয় ঃ ভাষা-১ (অসমীয়া)        দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ -২০১৭, ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

**ছাত্ৰ-ছাত্ৰীয়ে -**

⇨ যুক্তাক্ষৰযুক্ত শব্দ ভাঙিব আৰু গঠন কৰি পঢ়িব পাৰিব।

⇨ যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য, দফা আদি পঢ়িব আৰু যতি বিৰাম চিহ্ন চিনি পাব।

⇨ শিক্ষণ-শিকন সামগ্ৰীৰ সহায়ত পাঠৰ অন্তৰ্ভূক্ত আৰু পাঠ বহিৰ্ভূত দফা পঢ়ি বুজি পাব আৰু পঢ়ি যোৱা দফা বা পাঠৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।

⇨ কঠিন শব্দৰ অৰ্থ জানিবৰ বাবে অভিধান ব্যৱহাৰ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে, জুন -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) লঘোন | - পাঠ নং ৪ |
| খ) পানী | - পাঠ নং ৫ |
| গ) দীঘল-ঠেঙীয়া | - পাঠ নং ৬ |
| ঘ) ৰাতিপুৱা | - পাঠ নং ৭ |
| ঙ) বীৰাংগনা মূলাগাভৰু | - পাঠ নং ৮ |

**পাতনি ঃ**

এই সমলটোত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুৱাবলৈ আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ বাবে দৃষ্টি ৰখা হৈছে।

অসম চৰকাৰৰ উদ্যোগত বিদ্যালয়সমূহত দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱ ২০১৭ অনুষ্ঠিত হৈ গৈছে। এই গুণোৎসৱৰ ফলাফল পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে চতুৰ্থ শ্ৰেণীত পঠনৰ ক্ষেত্ৰত ২৯.৭৩ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ চিনি নাপায়, শুদ্ধ উচ্চাৰণেৰে পঢ়িব নোৱাৰে, যুক্তাক্ষৰযুক্ত শব্দৰ অৰ্থ বুজি নাপায়, যতি বিৰাম চিহ্ন, প্ৰশ্নবোধক আৰু ভাৱবোধক চিহ্ন আদি চিনি বিৰতি দি পঢ়িব নোৱাৰে, যুক্তাক্ষৰযুক্ত দফা, পাঠ (পাঠৰ অন্তৰ্গত আৰুপাঠবহিৰ্ভূত ) পঢ়ি বুজি নাপায় আৰু পঢ়ি যোৱা দফাৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে। এইটো সচাঁকৈ পৰিতাপৰ কথা যে, চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ এনে ধৰণৰ দুৰ্বলতাবোৰ স্পষ্ট ৰূপত ধৰা পৰিছে। সেইবাবে পঠনত থকা পঠন অৰ্হতা আয়ত্তকৰণৰ ক্ষেত্ৰত বাধা দিয়া শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰবোৰ চিনি উলিয়াই উক্ত ক্ষেত্ৰসমূহৰ বিকাশ কৰাৰ প্ৰয়োজন আহি পৰিছে।পঠন হৈছে শিক্ষা আহৰণৰ এক গুৰুত্বপূৰ্ণ কৌশল। পঠনৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সামৰ্থ বঢ়োৱা। ছাত্ৰ-ছাত্ৰীৰ জীৱনত লাভ কৰা কৃতকাৰ্যতাৰ মূল ভেঁটি হৈছে পঠন। পঠন বুলিলে অৰ্থবোধৰ সৈতে পঢ়া কথাটোকে বুজায়। ছাত্ৰ-ছাত্ৰীক শব্দ আৰু বাক্যৰ অৰ্থোদ্ধাৰ

কৰাত সহায় কৰে পঠনে। লিখিত পাঠৰ পূৰ্ণ অৰ্থোদ্ধাৰ কৰাত সহায় কৰে শুদ্ধ পঠন দক্ষতাই। ইয়াৰ উপৰি পঠনে ধাৰণা গঠন আৰু ভাবৰ সংযোজন ঘটাই মনত ৰখাতো সহায় কৰে। NCF-2005 ত উল্লেখ কৰা প্ৰত্যাশা অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে পঠন যোগে প্ৰয়োজনীয় জ্ঞান আহৰণ কৰি বাস্তৱ জীৱনত এই জ্ঞান প্ৰয়োগ কৰা উচিত। সেই ক্ষেত্ৰত আমি ক'ব পাৰো যে, ছাত্ৰ-ছাত্ৰীয়ে পঠন কৰি যি জ্ঞান লাভ কৰে সেই জ্ঞান বাস্তৱ জীৱনত প্ৰয়োগ কৰা উচিত। এই পঠন কৌশলৰ বিকাশ কৰিবলৈ হ'লে যথেষ্ট অনুশীলন আৰু ক্ৰিয়া-কলাপ কৰাৰ প্ৰয়োজন। পাঠ্যপুথিত উল্লেখ থকা অনুশীলনী আৰু ক্ৰিয়া-কলাপৰ উপৰি আমি নিজাববীয়াকৈ পঠন কৌশলৰ বিকাশৰ বাবে কিছুমান অনুশীলনী, ক্ৰিয়া-কলাপ, খেল আদি ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। এই গোটটো, প্ৰণালীবদ্ধ পঠন কৌশল আয়ত্তকৰণত গুৰুত্ব দি আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত এটা আনন্দদায়ক আৰু উপযুক্ত শিকন পৰিৱেশৰ সৃষ্টি কৰি, পৰিকল্পনা, ক্ৰিয়া-কলাপ, খেল আৰু ঘটনা অধ্যয়ন আদিৰ জৰিয়তে শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰৰ বিকাশ সাধন কৰিব পৰাকৈ প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ পঠনে মনৰ পৰিধিৰ বিকাশ ঘটোৱাৰ লগতে কল্পনা শক্তিৰো বিকাশ ঘটায়।

⇨ পঠনৰ জৰিয়তে বানান শুদ্ধ হয়।

⇨ পঠনৰ জৰিয়তে লিখনৰ ধাৰণা স্পষ্ট হয়।

⇨ ছাত্ৰ-ছাত্ৰীসকল পঠনৰ জৰিয়তে নতুন জ্ঞানৰ লগত পৰিচয় হয়। তেওঁলোকে তাৰ পৰা আনন্দ উপভোগ কৰাৰ লগতে বিবেচনা, চিন্তন, মনন আদি যোগ্যতা লাভ কৰিব পাৰে।

⇨ পঠনে ছাত্ৰ-ছাত্ৰীক শব্দ আৰু বাক্যৰ অৰ্থোদ্ধাৰ কৰাত সহায় কৰে।

⇨ নিজৰ পাঠ্যপুথিৰ উপৰি পাঠবহিৰ্ভূত আন ছপা সামগ্ৰী পঢ়ি দৈনন্দিন জীৱনত সমস্যা সমূহৰ সমাধানৰ চিন্তা চৰ্চা কৰাত পঠনে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।

⇨ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াখিনি বুজি, নতুন চিন্তা ধাৰাৰে পৰিপুষ্ট হৈ শ্ৰেণীকোঠাটো নতুন চিন্তাধাৰাৰে গতিশীল কৰিব পাৰে।

⇨ ছাত্ৰ-ছাত্ৰীয়ে পঠনৰ জৰিয়তে যুক্তাক্ষৰযুক্ত শব্দ, বাক্য আৰু দফাৰ ধাৰণা শুদ্ধ আৰু স্পষ্টকৈ আয়ত্ত কৰিব পাৰে আৰু যতি বিৰাম চিহ্ন, প্ৰশ্নবোধক আৰু ভাৱবোধক চিহ্ন চিনি পঢ়া কথাৰ যথাৰ্থ অৰ্থ বুজিব পাৰে ।

⇨ তেওঁলোকে পঠনৰ জৰিয়তে পাঠভিত্তিক আৰু পাঠবহিৰ্ভূত পাঠৰ বাক্য, দফা পঢ়ি, বুজি সেই পাঠৰ দফাবোৰৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ সামৰ্থ হ'ব পাৰে।

⇨ শিক্ষকে পঠন-কৌশল নিৰীক্ষণ কৰি যথোপযুক্তভাৱে পঠনৰ জৰিয়তে মূল্যায়ন কৰিবলৈ সামৰ্থ লাভ কৰিব পাৰে।

**এই সমল সামগ্ৰীৰ পৰা আমি কি শিকিব পাৰিম ঃ**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি শিক্ষক হিচাপে আমি -

ছাত্ৰ-ছাত্ৰীৰ পঠন কৌশলৰ পদ্ধতিগত বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীক জড়িতকৰণ (engage) আৰু অনুসন্ধান (explore) বিষয় বস্তুৰ ব্যাখ্যা (explain) বিষয়বস্তুৰ বিস্তৃত (elaborate) জ্ঞান লাভ আৰু মূল্যায়ন (evaluation) - এইধৰণৰ বিভিন্ন স্তৰৰ যোগেদি ছাত্ৰ-ছাত্ৰীক অনুশীলনৰ জৰিয়তে বিভিন্ন ক্ৰিয়া-কলাপত প্ৰবৃত্ত কৰাৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীক ক্ৰিয়া-কলাপৰ সৈতে জড়িত কৰি তেওঁলোকৰ হতুৱাই পদ্ধতিগত পঠনৰ অনুশীলন কৰিব পাৰিম।

⇨ একক আৰু দলীয় ক্ৰিয়া-কলাপৰ মাজেৰে আনন্দদায়ক পৰিৱেশত পঠনৰ ক্ষেত্ৰত থকা শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশৰ বাবে অভ্যাস কৰিব পাৰিম।

⇨ আত্মমূল্যায়নৰ লগতে তুলনামূলক অধ্যয়ন কৰাৰ বাবে সুযোগ পাব পাৰিম।

⇨ নতুন নতুন চিন্তাধাৰাৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা পঠনবোধৰ সৈতে বাস্তৱ জীৱনৰ সম্বন্ধ স্থাপন কৰাৰ দক্ষতা আহৰণ কৰিব পাৰিছেনে নাই মূল্যায়ন কৰিব পাৰিম।

**এই সমলসামগ্ৰীত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) যুক্তাক্ষযুক্ত শব্দ গঠন কৰি পঢ়িব পৰা।<br>⇨ যুক্তাক্ষৰযুক্ত শব্দ ভাঙি পঢ়িব পৰা। | ⇨যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰা কাৰ্ড।<br>⇨যুক্তাক্ষৰযুক্ত শব্দ ভগা কাৰ্ড। | ⇨দলগত কাৰ্যৰ জৰিয়তে ক্ৰিয়া-কলাপ | ১)তলত দিয়া যুক্তাক্ষৰবোৰ গঠন কৰি পঢ়া।<br>ক্ষ + ম = ☐ স + ন = ☐<br>ষ + ন = ☐<br>ঞ + ছ = ☐<br>⇨তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি পঢ়া - ঞ্জ, ঙ্গ, ন্ধ, দ্ধ, ন্দ। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য, দফা আদি পঢ়িব আৰু যতি বিৰাম চিহ্ন চিনি প্ৰয়োগ কৰিব পৰা। | ⇨ যুক্তাক্ষৰযুক্ত শব্দৰ কাৰ্ড।<br>⇨ যতি বিৰাম চিহ্ন,প্ৰশ্নবোধক, ভাৱ বোধক চিহ্ন, উৰ্ধকমা চিহ্ন, আদিৰ কাৰ্ড | ⇨ কাৰ্ডৰ সহায়ত খেলা-ধূলা পদ্ধতিৰে ক্ৰিয়া-কলাপ। | ২) তলত দিয়া যুক্তাক্ষৰযুক্ত বাক্যবোৰ পঢ়া -<br>⇨ মন্দিৰৰ দুৱাৰ খোলা আছে।<br>⇨ বিদ্যালয়খনত বেঞ্চবোৰ শাৰীপাতি থোৱা আছে।<br>⇨ ছাত্ৰ-ছাত্ৰীসকলে সমস্বৰে পঠন কৰিছে।<br>⇨মহৎলোকৰ জীৱনী শিশু সাহিত্যিকৰ জীৱনশৈলী যতি বিৰাম চিহ্ন, ব্যৱহাৰ কৰি পঢ়া।<br>⇨প্ৰশ্নবোধক আৰু ভাৱবোধক চিনৰ কেতিয়া ব্যৱহাৰ কৰা হয়? | |
| গ) শিক্ষণ-শিকন সামগ্ৰীৰ সহায়ত পাঠৰ অন্তৰ্ভূক্ত আৰু পাঠ বহিৰ্ভূত সমল পঢ়িব পৰা আৰু পাঠৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পৰা। | ⇨পাঠ বহিৰ্ভূত মহৎ লোকৰ জীৱনী, বাতৰি-কাকত, | ⇨বাতৰি-কাকত আৰু মহৎ লোকৰ জীৱনী, সাহিত্যিকৰ জীৱনশৈলী, পৰ্যৱেক্ষণ | ৩)মহৎলোকৰ জীৱনী/সাধু পঢ়ি সেই সাধুৰ বিষয়ে কি বুজি পাইছা নিজাকৈ লিখি পঢ়া। | |
| ঘ) কঠিন শব্দৰ অৰ্থ জানিবৰ বাবে অভিধান ব্যৱহাৰ কৰিব পৰা। | ⇨অভিধান | ⇨ পৰ্যৱেক্ষণ। | ৪)অভিধান চাই তলত দিয়া শব্দবোৰৰ অৰ্থ জানি লোৱা -<br>পুনৰ, জিৰণি, প্ৰকাণ্ড, ভাপ, অংগ, ছিদ্ৰ। | |

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰৰ বিকাশৰ বাবে লোৱা ব্যৱস্থাৱলীঃ**

শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিকন ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ কৰিবলৈ ক্ৰিয়া-কলাপ আৰু বিশেষ ক্ষেত্ৰ অধ্যয়ন আদি ব্যৱস্থা লোৱা হৈছে। তলত সেইবোৰৰ উল্লেখ কৰা হ'ল-

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

ৰাকেশ শৰ্মা গোৱালপাৰাৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। তেখেতে চতুৰ্থ শ্ৰেণীত অসমীয়া ভাষাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া পৰিচালনা কৰোঁতে যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য আৰু দফা শুদ্ধ আৰু স্পষ্টকৈ পঢ়ুৱাবলৈ ক্ৰিয়া-কলাপ কেনেধৰণে কৰিছিল চাওঁ আহক -

**প্ৰস্তুতি ঃ**

শৰ্মা ছাৰে শ্ৰেণীকোঠালৈ যোৱাৰ আগতে তলত দিয়া শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি লৈছিল -

⇨ যুক্তাক্ষৰৰ চাৰ্ট।

⇨ যুক্তাক্ষৰযুক্ত শব্দৰ কাৰ্ড।

শৰ্মা ছাৰে যেতিয়া ৪ ৰ্থশ্ৰেণীত যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য পঢ়ুৱাবলৈ গৈছিল, প্ৰথমে তেখেতে আৰ্হি পঠন দিছিল আৰু ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ডবোৰ চাই যাবলৈ দিছিল। এই সময়খিনিতে তেখেতে সকলো ছাত্ৰ-ছাত্ৰীয়ে মন দিছে নে নাই নিৰীক্ষণ কৰিছিল। তেখেতে বাক্যবোৰ পঢ়ি যাওঁতে যুক্তাক্ষৰযুক্ত শব্দবোৰ স্পষ্ট আৰু ডাঙৰকৈ পঢ়ি গৈছিল। ইয়াৰ পাছত দফাটো তেখেতে প্ৰথম বেঞ্চত বহা কৌশিকক পঢ়িবলৈ দিছিল। তেখেতে দেখিলে যে ছাত্ৰজনে অলপ মাতি ৰৈ আছিল, কাষলৈ গৈ শৰ্মা ছাৰে গম পালে যে সি 'সুক্ষ্ম', 'আন্ধাৰ-মুন্ধাৰ' শব্দ দুটা মাতিব পৰা নাই। মাজতে কৌশিকে এবাৰ 'সুম' বুলিও কৈছিল। সেইদৰে আন্ধাৰ-মুন্ধাৰ শব্দত ৰৈ 'আনাৰ-মুনাৰ' কৈছিল।

এইবাৰ শেষৰ বেঞ্চত বহা ৰাজীৱক পঢ়িবলৈ দি শৰ্মা ছাৰে দেখিলে যে, তেওঁ কেৱল নিজৰ মতেই পঢ়ি গৈছিল; শৰ্মা ছাৰে গম পালে যে যুক্তাক্ষৰৰ বাহিৰেও য়-কাৰ, স্বৰচিহ্ন প্ৰয়োগ আদিত তাৰ দুৰ্বলতা আছে। কাণেৰে কমকৈ শুনা বাবে ৰাজীৱক শৰ্মা ছাৰে সন্মুখৰ বেঞ্চলৈ আনি বহিবলৈ দিছিল।

শৰ্মা ছাৰে কৌশিকৰ ওচৰলৈ গৈ, তেওঁক বোৰ্ডৰ ওচৰলৈ মাতি আনি শ্ৰেণীকোঠাত আঁৰি থোৱা যুক্তাক্ষৰ চাৰ্টত চাই চাই পঢ়িবলৈ দিছিল আৰু বোৰ্ডত যুক্তাক্ষৰ কেইটা যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ডৰ সহায়ত ভাঙি, লিখি পঢ়িবলৈ দিছিল। এই ক্ষেত্ৰত শৰ্মা ছাৰে কৌশিকক সহায় কৰিছিল। বিৰতিৰ সময়ত শৰ্মা ছাৰে ৰাজীৱক মাতি আনি ডাঙৰ ডাঙৰকৈ যুক্তাক্ষৰবোৰ, য়-কাৰ, স্বৰচিহ্ন আদি প্ৰয়োগ কৰি শুদ্ধ আৰু স্পষ্টকৈ পঢ়িবলৈ দিছিল আৰু ঘৰত পঢ়ি আহিবলৈ দিছিল কাৰণ সি কাণেৰে অলপ কম শুনে। ইয়াৰ পিছত শৰ্মা ছাৰে কাৰ্ডত থকা যুক্তাক্ষৰ থকা দফা পঢ়ি যাওঁতে যতি বিৰাম চিহ্ন, প্ৰশ্নবোধক চিহ্ন আৰু ভাৱবোধক চিহ্ন ব্যৱহাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক শিকাইছিল। তেখেতে পঢ়ি যাওঁতে দাড়ি ( ।)ত অলপ বেছি সময়, কমাত(,) দাড়িতকৈ অলপ কম সময় ৰৈছিল। প্ৰশ্নবোধক চিন থাকিলে কথাৰ সুৰ সলনি কৰি প্ৰশ্নসোধাৰ দৰে পঢ়িছিল আৰু দুখ আৰু হাঁহিৰ ক্ষেত্ৰত মুখৰ ভঙ্গী সলনি কৰি তেনে ভাব ফুটাই তুলি পঢ়িছিল। সেইদৰে উৰ্দ্ধকমা ( ' ) থকা বাক্য সুৰ সলনি কৰি শুদ্ধ উচ্চাৰণেৰে পঢ়িছিল। বাক্যত প্ৰতিটো শব্দৰ মাজত ব্যৱধান ৰাখি, স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে শৰ্মা ছাৰে দফাটো সলসলীয়াকৈ পঢ়ি দিছিল আৰু দফাটোৰ বিষয়ে প্ৰশ্ন কৰি উত্তৰ সুধি ছাত্ৰ-ছাত্ৰীয়ে বুজি পাইছে নে নাই সুধিছিল। এই কামটো তেখেতে দুবাৰ তিনিবাৰ কৰি ভুল হলে শুধৰাই দিছিল। ইয়াৰ পাছত তেখেতে মন কৰিছিল যে, ছয়জন ছাত্ৰই দফাটো বাৰে বাৰে চেষ্টা কৰিও সম্পূৰ্ণকৈ পঢ়িব পৰা নাছিল, কাৰণ তেওঁলোক লেহেমীয়া শিকাৰু (slow learner) আছিল। আনহাতে চাৰিজনীমান ছাত্ৰীয়ে দফাটো শুদ্ধকৈ আৰু সোনকালে পঢ়িব পাৰিছিল। এওঁলোক দ্ৰুত শিকাৰু (fast learner)। লেহেমীয়া ছাত্ৰ-ছাত্ৰীখিনিক শৰ্মা ছাৰে ছুটীৰ পাছত পঢ়াইছিল আৰু দ্ৰুত শিকাৰু খিনিক শৰ্মা ছাৰে অলপ ওপৰৰ স্তৰৰ পাঠৰ দফা পঢ়িবলৈ দিছিল।

*বিঃদ্ৰঃ ৰাকেশ শৰ্মাই শ্ৰেণীকোঠাত থকা কাণেৰে কম শুনা ছাত্ৰজনৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ ৰাকেশ শৰ্মা ছাৰে কৰা ক্ৰিয়া-কলাপটোত কি বৈশিষ্ট্য আছিল, যিটো ছাত্ৰ-ছাত্ৰীয়ে ভাল পাইছিল।

⇨ ৰাজীৱৰ দৰে ছাত্ৰ-ছাত্ৰীক আন কি ধৰণৰ ব্যৱস্থা ল'ব পৰা গ'লহেতেন?

⇨ যদি শ্ৰেণীকোঠাত বিশেষভাৱে সক্ষম শিশু আছে, আমি কি দৰে বিশেষ পৰিকল্পনা কৰিম ?

⇨ ঘৰত যদি মাক-দেউতাক অশিক্ষিত তেন্তে ছাত্ৰ-ছাত্ৰীয়ে গৃহকৰ্ম কৰিব পাৰিবনে ?

⇨ শ্ৰেণীকোঠাত থকা লেহেমীয়া আৰু দ্ৰুত ছাত্ৰ-ছাত্ৰীৰ (যদি আছে) পঠন দক্ষতা আৰু বঢ়াবৰ বাবে আমি কি বিশেষ ব্যৱস্থা ল'ব লাগিব ?

⇨ শ্ৰেণীকোঠাত যতি বিৰাম চিহ্ন, প্ৰশ্নবোধক চিন, ভাৱবোধক চিন আদি ছাত্ৰ-ছাত্ৰীক বুজাবলৈ আমি ৰাকেশ শৰ্মা ছাৰে কৰা ক্ৰিয়া-কলাপৰ আলমত আন ধৰণে কৰিব পাৰোঁ নেকি চাওঁ আহক।

⇨ ছাত্ৰ-ছাত্ৰীৰ পঠনৰ বোধ জ্ঞান বঢ়াবৰ বাবে আন কেনেধৰণৰ ব্যৱস্থা ল'ব পাৰি ভাবি চাওঁ আহক।

**ক্ৰিয়া-কলাপ ১**

(যুক্তাক্ষৰ যুক্ত শব্দ থকা দফা স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়িবলৈ দিয়া )

ৰাকেশ শৰ্মা ছাৰৰ দৰে এটা ক্ৰিয়া-কলাপ কৰি চাওঁ আহক -

**প্ৰস্তুতি** ঃ ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কাৰ্যকৰী কৰিবলৈ গৈ নিম্ন লিখিত শিক্ষণ-শিকন সামগ্ৰীসমূহ সংগ্ৰহ কৰি ললোঁ। সেই সামগ্ৰী সমূহ হ'ল -

⇨ পাঠ্যপুথি।

⇨ যুক্তাক্ষৰ যুক্ত শব্দ কাৰ্ড

⇨ যুক্তাক্ষৰ ভঙা কাৰ্ড।

⇨ যুক্তাক্ষৰ গঠন কৰা কাৰ্ড।

⇨ অভিধান।

মই ছাত্ৰ-ছাত্ৰীসকলক আগৰ পাঠত (প্ৰথম সাময়িকী) ত পঢ়ি অহা যুক্তাক্ষৰ সম্বন্ধে সুধি পূৰ্বজ্ঞান পৰীক্ষা কৰি ললোঁ আৰু ইয়াৰ পিচত ক্ৰিয়া-কলাপ কৰিবলৈ আগবাঢ়িলোঁ।

মই শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰযুক্ত শব্দ থকা দফা স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়াত পোৱা অসুবিধাবোৰ আতঁৰাবলৈ ৫ নং আৰু ৮ নং পাঠ আৰ্হি হিচাপে লৈ পৰিকল্পনা এটা কৰি উপৰোক্ত শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি ললোঁ।

| | |
|---|---|
| **যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ড** | সুক্ষ্ম, সুৰঙ্গ, ঝান্সী, ম্লান |

| | | |
|---|---|---|
| **যুক্তাক্ষৰ গঠন কৰা কাৰ্ড** | ক্ষ + ম = | ন + স = |
| | ঙ + গ = | ম + ল = |

| | | |
|---|---|---|
| **যুক্তাক্ষৰ ভঙা কাৰ্ড** | ক্ষ্ম = + | ন্স = + |
| | ঙ্গ = + | ম্ল = + |

মই ওপৰোক্ত ধৰণে কাৰ্ড প্ৰস্তুত কৰি, সৰু সৰু দলৰ মাজত কাৰ্ডবোৰ ভগাই দিলোঁ। প্ৰতিটো দলতে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ ৫ নং আৰু ৮ নং পাঠটো উলিয়াই যুক্তাক্ষৰযুক্ত শব্দবোৰ বাছি উলিয়াবলৈ দিলোঁ আৰু যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ডবোৰৰ লগত মিলাই চাবলৈ দিলোঁ।

ইয়াৰ পাছত ক্ৰমে যুক্তাক্ষৰ গঠন কৰা আৰু ভঙা কাৰ্ডবোৰ ছাত্ৰ-ছাত্ৰীক বেঞ্চত থবলৈ দিলোঁ । মই প্ৰথমে যুক্তাক্ষৰ গঠন কৰা আৰু পাছত যুক্তাক্ষৰ ভঙা কাৰ্ডবোৰ সিহঁতৰ সন্মুখত ৰাখিবলৈ দি ডাঙৰ ডাঙৰকৈ স্পষ্টভাৱে পঢ়ি দিলোঁ। চাৰি-পাঁচবাৰ পঢ়াৰ পাছত ছাত্ৰ-ছাত্ৰীক নিজ নিজ দলৰ দলপতিৰ তত্বাৱধানত পঢ়িবলৈ দিলোঁ আৰু দেখিলোঁ, যুক্তাক্ষৰবোৰ ভাঙি আৰু গঠন কৰি ছাত্ৰ-ছাত্ৰীসকলে পঢ়িবলৈ চেষ্টা কৰিছে আৰু পৰিৱৰ্তিত ৰূপবোৰ বুজি পাইছে। এইক্ষেত্ৰত ভুল হ'লে দলপতিয়ে শুদ্ধ কৰি দিছে।

দলপতিয়ে নোৱাৰিলে মই শুদ্ধ কৰি দিছিলোঁ।

ইয়াৰ পাছত যুক্তাক্ষৰযুক্ত শব্দকাৰ্ডবোৰ ছাত্ৰ-ছাত্ৰীসকলক উলিয়াবলৈ দি, শব্দবোৰ স্পষ্ট উচ্চাৰণেৰে পঢ়ি দি ছাত্ৰ-ছাত্ৰীসকলক দলগতভাৱে পঢ়িবলৈ দিলোঁ।

যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়িব পৰাৰ পাছত পাঠটোৰ প্ৰথম দফাটোৰ মই আদৰ্শ পঠন দিলোঁ। বাকী ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথি উলিয়াই শুনি শুনি চাই যাবলৈ দিলোঁ।

সৰু সৰু দলত বিভক্ত ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰযুক্ত শব্দ থকা দফা স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়িবলৈ চেষ্টা কৰি এইবোৰৰ অৰ্থ জানিবলৈ ইচ্ছা কৰাত অভিধান চাই এই অৰ্থবোৰ মই জানিবলৈ দিলোঁ। এইদৰে ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ জ্ঞান আয়ত্ত কৰাৰ পাছত আগতকৈ সলসলীয়াকৈ পঢ়িবলৈ সমৰ্থ হ'ল।

মূল্যায়নৰ ক্ষেত্ৰত প্ৰথমে মই দলপতিৰ লিখাবোৰ শুদ্ধ কৰি দিলোঁ তাৰ পাছত দলপতিক বাকী সদস্যসকলক ভুলবোৰ শুধৰাই দিবলৈ কলোঁ।

**ক্ৰিয়া-কলাপ ঃ ২ (খেলৰ জৰিয়তে)**

**প্ৰস্তুতি ঃ**

(যতি বিৰাম চিহ্ন প্ৰয়োগ কৰি পঢ়িবলৈ দিয়া)

এই ক্ৰিয়া-কলাপটো কৰিবলৈ গৈ মই কিছুমান শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি ল'লোঁ যেনে -

⇨ যতি বিৰাম চিহ্নৰ কাৰ্ড

⇨ পেঞ্চিল/পেন

⇨ স্কেল

মই যতি বিৰাম চিহ্নবোৰ চিনি ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত থকা দুৰ্বলতা আতঁৰ কৰাৰ বাবে এটা খেল-খেলিবলৈ দিয়াৰ বাবে পৰিকল্পনা কৰিলোঁ। ওপৰত উল্লেখ কৰা ধৰণে শিক্ষণ-শিকন সামগ্ৰীৰ সহায়ত মই কেইখনমান কাৰ্ড ল'লোঁ। প্ৰতিখন কাৰ্ডতে চিহ্নবোৰ লিখি চিহ্নবোৰৰ ব্যৱহাৰ সম্পৰ্কে ২-৪ শাৰী লিখি দিলোঁ। এতিয়া কাগজেৰে সজোৱা বাকচ এটাত এই কাৰ্ডবোৰ থৈ, প্ৰতিটো দলৰে দলপতিক এখন এখনকৈ কাৰ্ড টানিবলৈ দিলোঁ আৰু প্ৰতিগৰাকী দলপতিকে নিজ নিজ দলত কাৰ্ডবোৰ আলোচনা কৰিবলৈ দিলোঁ। আলোচনা কৰাৰ পাছত দলপতিসকল এজন এজনকৈ উঠি আহি কাৰ্ডত লিখাখিনি ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দিলোঁ -

**দাড়ি** ( ।) - মই বাক্যৰ শেষত বহোঁ। মোৰ আন এটা নাম হ'ল পূৰ্ণ যতি। পূৰ্ণতা বুজাবলৈ মোক প্ৰয়োগ কৰা হয়। যেনে - মই ফুটবল খেলোঁ।

**কমা** (,) - মই বাক্যত একাধিক শব্দৰ মাজত কিছুসময় বিৰতি ল'বলৈ বহোঁ। মোক দাড়িতকৈ কম সময়ৰ বিৰাম বা জিৰণি বুজাবলৈ ব্যৱহাৰ কৰা হয়। মোৰ আন এটা নাম লঘু যতি। বাক্যত একে লেথাৰিয়ে নাম শব্দ, একে ধৰণৰ শব্দ, কাৰোবাক সম্বোধন আৰু চৰ্ত বুজোৱা বাক্যৰ পাছত মোক ব্যৱহাৰ কৰা হয়; যেনে, - চুনু, মুনু আৰু মণি বজাৰলৈ গৈছে।

**চেমিকোলন** (;) - মোৰ আন এটা নাম গুৰু যতি। কমাতকৈ বেছি বিৰাম বুজাবলৈ মোক ব্যৱহাৰ কৰা হয়। যেনে, মই ৰুবুলে খেলি থকা বুলি ভাবিছিলোঁ; কিন্তু সি পঢ়িহে আছিল।

**প্ৰশ্নবোধক** ( ?) - মই প্ৰশ্ন সুধিবলৈ বাক্যৰ শেষত বহোঁ যেনে, - তুমি কি কৰি আছা ?

**ভাৱবোধক** ( !) - মোক আনন্দ, দুখ, সংশয় আদি প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা হয়; যেনে, - উঃ ! আঃ ! উঃ বৰ গৰম !

**উদ্ধৃতি চিহ্ন বা প্ৰক্ষেপ চিহ্ন উৰ্দ্ধকমা** (' ') - মই আনৰ যিকোনো উক্তি চিহ্নিত কৰিবৰ কাৰণে বহোঁ। মোক অন্য ব্যক্তিৰ কথা হুবহুৰূপে প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা হয়; যেনে, - মায়ে কৈছিল - 'ভৱিষ্যতে তই ডাক্তৰ হবি'

**হাইফেন** (-) শব্দৰ অৰ্থ ভিন ভিন হলে বা একে হলে শব্দবোৰ লগ লাগি এটা কৰিবলৈ মোক ব্যৱহাৰ কৰা হয়; যেনে, বা-বাতৰি, সুখ-দুখ।

**বন্ধনী** - ( ), { }, [ ] মই অংক শাস্ত্ৰত ব্যৱহৃত হওঁ। লিখনিৰ প্ৰতিশব্দ দিবলৈ অথবা চন বুজাবলৈ দ্ৰষ্টব্য হিচাপেও মোক ব্যৱহাৰ কৰা হয়।

**তাৰকা চিন** (* )-বাক্যত বিশেষ কথা থাকিলে নাইবা গ্ৰন্থৰ উল্লেখ নকৰি পাদটীকাত উল্লেখ কৰিব লাগিলে মোক ব্যৱহাৰ কৰা হয়, যেনে, - * চিঠিৰ লগত খামটো দিয়া হ'ল।

এইদৰে এই ক্ৰিয়া-কলাপটো ৫/৬ বাৰ কৰিলে ছাত্ৰ-ছাত্ৰীয়ে যতি বিৰাম চিহ্নৰ জ্ঞান পাব পাৰিব। দফা মূল্যায়ন কৰাৰ বাবে মই পাঠ ৰ দফা এটা যতি চিনবোৰ নিদিয়াকৈ ক'লাফলক (black board) ত লিখি দি যতি বিৰাম চিনবোৰ উপযুক্তভাৱে বহুৱাবলৈ দিলোঁ। মই সুক্ষ্মভাৱে ভুলবোৰ নিৰীক্ষণ কৰি আছিলোঁ আৰু ভুলবোৰ শুধৰাই দিলোঁ।

**ক্ৰিয়া-কলাপ ঃ ৩**

যিকোনো সাধু পঢ়ি বুজিছেনে চাবলৈ তলত দিয়া বৃত্তটোৰ ভিতৰত থকা প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি আমি তলত দিয়া সাধুৰ জৰিয়তে পঠনবোধ পৰীক্ষা কৰিব পাৰোঁ-

**মৌ আৰু মাখি -**

এখন চাঙত এচিচা মৌ আছিল। এদিন সেই মৌ চিচাটো মাটিত পৰি ভাগি গ'ল। মৌবোৰ মজিয়াত পৰি থাকিল। তাকে দেখি আহিল এজাক মাখি। সিহঁতে মনতে ভাবিলে ইশ্বৰে সিহঁতৰ বাবে বৰভোজ পাতি দিছে। সিহঁতে পাৰেমানে মৌ খাবলৈ ধৰিলে। দৰিদ্ৰৰ ভৰিৰ তলুৱালৈকে পেট। সিহঁতে খাবলৈ পালে নেৰে। দৰিদ্ৰ মাখিবিলাকে নোপোৱাই পোৱাদি মৌ খাবলৈ ধৰিলে। খাওঁতে খাওঁতে সিহঁতৰ পেটবোৰ ঢোল যেন হ'ল, কিন্তু ঠেং আৰু পাখিবোৰ মৌৰ আঠাত লাগি ধৰিলে। তাতেই সিহঁতৰ মৃত্যু হ'ল। মৰিবৰ সময়ত মাখিবোৰে কৈছিল 'আমাতকৈ মূৰ্খ আন কোনো নাই। এটোপ মৌৰ লোভত আমি জীৱনটোকে হেৰুৱাবলগীয়া হ'লোঁ।




বৃত্তটোত দিয়া প্ৰশ্নসমূহ ক'লাফলক (Black Board) ত লিখি দি বিভিন্ন দলক সেইবোৰ পঢ়ি উত্তৰসমূহ কৰিবলৈ দিয়াত দেখা গ'ল যে, কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উত্তৰ দিছে আৰু বাকীবোৰে শুদ্ধ উত্তৰ দিব পৰা নাই। এতিয়া আমি ছাত্ৰ-ছাত্ৰীৰ ভুলবোৰ পুনৰ বুজাই দি শুধৰাই দিব পাৰোঁ।

*বিঃদ্ৰঃ - শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ**

⇨ যুক্তাক্ষৰযুক্ত শব্দ ভাঙিব আৰু গঠন কৰি পঢ়িব পাৰিছে।

⇨ যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্য, দফা আদি যতি চিহ্ন প্ৰয়োগ কৰি পঢ়িব পাৰিছে।

⇨ অভিধান ব্যৱহাৰ কৰিব পাৰিছে।

⇨ মূল্যায়নৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ পঠন কৌশল আয়ত্ত হৈছে।

⇨ প্ৰতিটো দলে (বিশেষভাৱে সক্ষম শিশুকে ধৰি ) সক্ৰিয় অংশগ্ৰহণ কৰিছে।

⇨ পাঠৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত দফা, পাঠ, সাধু আদি পঢ়ি বুজিব পাৰিছে।

⇨ বাস্তৱ জীৱনৰ লগত বিষয়বস্তুৰ মূল কথাখিনি সংযোগ কৰিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ** ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন -

⇨ তোমালোকে বাতৰি-কাকতৰ প্ৰথম পৃষ্ঠাত থকা যুক্তাক্ষৰবোৰ চিনি শুদ্ধ উচ্চাৰণেৰে পঢ়া।

⇨ মহৎলোকৰ জীৱনী, শিশু-সাহিত্য, সহিত্যিক আৰু প্ৰতিষ্ঠিত কৰ্মৰাজি আৰু জীৱনশৈলী যতি বিৰাম চিহ্ন ব্যৱহাৰ কৰি পঢ়া।

⇨ ঈছপৰ সাধু বা বুঢ়ীআইৰ সাধুপুথিৰ পৰা যিকোনো এটা সাধু পঢ়ি কি বুজি পাইছা নিজাববীয়াকৈ লিখা আৰু পঢ়া।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনীঃ**

⇨ তলত দিয়া যুক্তাক্ষৰবোৰ গঠন কৰি পঢ়া -

ক্ষ + ম = ☐ , স + ন = ☐ , ষ + ণ = ☐ , ঞ + ছ = ☐

⇨ যুক্তাক্ষৰযুক্ত শব্দ ভাঙি পঢ়া -

ঞ্জ, ণ্ড, ন্ধ, দ্ধ, ন্দ

⇨ প্ৰশ্নবোধক চিন আৰু ভাৱবোধক চিনৰ কেতিয়া ব্যৱহাৰ কৰা কোৱা।

⇨ অভিধান চাই তলত দিয়া শব্দবোৰৰ অৰ্থ জানি লোৱা আৰু কোৱা -

পুণৰ, জিৰণি, প্ৰকাণ্ড, ভাপ, ছিদ্ৰ, অংগ, উৰুলি,গলধন, মেটেকাই, শেষত, কেৰামতালি।

⇨ তলত দিয়া যুক্তাক্ষৰযুক্ত বাক্যবোৰ পঢ়া -

- মন্দিৰৰ দুৱাৰ খোলা আছে।
- বিদ্যালয়খনত বেঞ্চবোৰ শাৰীপাতি থোৱা আছে।
- ছাত্ৰ-ছাত্ৰীসকলে সমস্বৰে পঠন কৰিছে।

**প্ৰসঙ্গ টোকা ঃ**

⇨ অংকুৰণ (চতুৰ্থভাগ) ।

⇨ বাতৰি-কাকত, আলোচনী, গল্প, সাধু।

⇨ TESS INDIA ৰ সমল পুথি।

⇨ অসমীয়া ভাষাৰ ব্যাকৰণ - ড° উপেন্দ্ৰনাথ গোস্বামী।

⇨ অসমীয়া ভাষা শিক্ষাৰ ৰূপৰেখা - বণজিৎ মহন্ত।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***